# সম হীয়া সেৱা কেন্দ্ৰৰ জৰিয়তে দূৰ ন্যায় পদ্ধতিৰ কাৰ্যকৰীকৰণ





**ন্যায় বিভাগ আৰু বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ যুটীয়া প্ৰচেষ্টাত**

ন্যয় ৰিভি গ

বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয় (মেইটি),
ভাৰত চৰকাৰ

सत्यमेव जयते

रविशंकर प्रसाद

RAVI SHANKAR PRASAD

मंत्री, विधि एवं न्याय एवं इलेक्ट्रॉनिकी और सूचना प्रौद्योगिकी, भारत सरकार

Minister of Law & Justice and Electronics & IT, Government of India

# FOREWORD

Tele-Law envisages the use of communications and information Technology for the delivery of legal information and advice. This is a medium of e-interaction between lawyers and citizens through the video-conferencing. The service seeks to provide legal assistance to citizens at their doorsteps through the infrastructure of Commmon Service Centres (CSC) present at rural locations. Through the project, rural citizens would be connected with lawyers and CSCs through video conferencing facilities by the Para Legal Volunteers (PLVs). Under the scheme, citizens falling under Section 12 of LSA Act, 1987 are given free legal consultancy. However, while registering their case at the CSC, citizen will have to pay a minimal amount which gets reimbursed to her/his account through DBT.

This operational manual is a tool kit for all PLVs. The manual shares information about the roles and responsibilities of PLVs, the process of engagement in the community to identify cases and individuals who need assistance.

I am confident that this operational manual will create awareness and help the PLVs in identifying citizens from rural locations who require legal assistance. I hope that the PLVs will become change agents for their community and help the citizens seek justice through the medium of tele-conferencing.

Ravi Shankar Prasad

(Ravi Shankar Prasad)

# ভূমিকা

দূৰ ন্যায় আৰ্হিটো ন্যায় বিভাগ, আইন আৰু ন্যায় মন্ত্ৰালয়, মেইট ৱাই আৰু চিএছচি (উমৈহতীয়া সেৱা কেন্দ্ৰ) য়ে লোৱা এক নতুন প্ৰচেষ্টা। ইয়াৰ জৰিয়তে দেশৰ আটাইতকৈ দূৰত থকা ব্যক্তিজনৰ লগতো সফলভাৱে যোগাযোগ কৰিব পৰা যাব আৰু ঘৰৰ পদূলিমুখতে যাতে ন্যায় ঢুকি পাব পৰা যায় সেয়াই ইয়াৰ উদ্দেশ্য। সমাজৰ প্ৰান্তীয় স্তৰত থকা লোকক সাঙুৰি লোৱা আৰু আইনৰ ক্ষেত্ৰত সৰলীকৰণ নিশ্চিত কৰিবৰ বাবে ডিজিটেল ইণ্ডিয়াৰ অধীনত দূৰ ন্যায় আৰ্হি এক মহৎ প্ৰচেষ্টা।



**দূৰ ন্যায় আৰ্হিৰ নিৰ্দেশাত্মক নীতিসমূহ হ'ল-**

স্বচ্ছতা → দৃঢ়তা → বিশ্বাসযোগ্যতা

# দূৰ ন্যায় সেৱা আৰ্হিত অৰ্ধ আইনী স্বেচ্ছাসেৱী পেৰা লীগেল ভলন্টিয়াৰ (পি এল ভি)

সকলৰ বাবে প্ৰস্তুত কৰা এই পৰিচালনা হাতপুথিখনৰ উদ্দেশ্য:

উমৈহতীয়া সেৱাকেন্দ্ৰসমূহত (চি এছ চি) দূৰ ন্যায় আৰ্হিৰ বিষয়ে জনা আৰু বুজি পোৱা

দূৰ ন্যায় আৰ্হিত কাম কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা আৰু দায়িত্ব কি হ'ব তাক জনা

## দূৰ ন্যায় আৰ্হিৰ মুখ্য উপাদানসমূহ:
## ভি এল ই (ভিলেজ লেভেল এন্ট্ৰিপ্ৰিনিউয়াৰ)

ভি এল ইসকলে পি এল ভিসকলক চি এছ চি ত বহিবলৈ ঠাই দিয়া: সেৱা গ্ৰহণ কৰা ব্যক্তিৰ তালিকা প্ৰস্তুত কৰা, পীড়িত ব্যক্তিৰ সবিশেষ আবেদকাৰীলৈ আগবঢ়োৱা সেৱাৰ পৰা তেওঁ লাভ কৰা সুবিধাসমূহ চি এছ চি পৰ্টেলত আপল'ড কৰিবলৈ ব্যৱস্থা কৰি দিব। পঞ্জীয়নৰ সময়তেই এই তথ্যখিনি আপল'ড কৰা হ'ব।

চি এছ চি (উমৈহতীয়া সেৱা কেন্দ্ৰ) চি এছ চি য়ে জ্বা খন জিলাতে সমগ্ৰ কাৰ্যসূচীটোতে কাৰিকৰী সহায় আগবঢ়াব। তাৰোপৰি কামবোৰ পৰ্যবেক্ষণ কৰিবৰ বাবে এক অনলাইন পৰ্যবেক্ষণৰ আৰ্হি প্ৰস্তুত কৰা হ'ব।

পি এল ভি সকলক (মহিলা হ'লে ভাল) নিৰ্বাচিত চি এছ চি সমূহত মকৰল কৰা হ'ব। তেখেতে আবেদনকাৰীগৰাকীক চি এছ চি ত থকা ভিডিঅ' কনফাৰেঞ্চিঙৰ সুবিধাৰ জৰিয়তে উকীল এগৰাকীৰ লগত যোগাযোগ কৰাত সহায় কৰিব। তেখেতে আবেদনকাৰীৰ গোচৰ-আপত্তিসমূহৰ প্ৰগতিৰ খতিয়ান ৰাখিব আৰু তালিকাৱদ্ধ কৰি থ'ব। তেখেতে নথিৱদ্ধ কৰি যোৱা তালিকা প্ৰতি সপ্তাহে এচ এল এচ এ (ৰাজ্যিক আইন সাহায্য প্ৰাধিকাৰীয় চি এছ চি ত দাখিল কৰিব।

## দূৰ ন্যায় আৰ্হি

সুদূৰ গ্ৰামাঞ্চলত আইনগত পৰামৰ্শ আৰু তথ্যৰ সন্ধানত থকা লোকসকলক সূচীভুক্ত উকীলসকলৰ সৈতে যোগাযোগ কৰোৱা পঞ্চায়ত স্তৰত স্থাপিত উমৈহতীয়া সেৱা কেন্দ্ৰসমূহত উপলব্ধ ই এটা বৈদুত্যিক বাৰ্তালাপৰ মঞ্চ। সূচীভুক্ত উকীলৰ লগত তাৎক্ষণিক আৰু প্ৰত্যক্ষ যোগাযোগৰ বাবে ভিডিঅ' কনফাৰেঞ্চিং চাট আৰু টেলিফোনৰ সুবিধা ব্যৱহাৰ কৰা।

## মই এগৰাকী অৰ্ধ আইনী স্বেচ্ছাসেৱী (পেৰা লীগেল ভলণ্টেয়াৰ) হয়নে ?

- মই সাধাৰণ লোক আৰু উমৈহতীয়া সেৱা কেন্দ্ৰৰ জৰিয়তে আইনী সাহায্য আগবঢ়োৱা উকীলসকলৰ মাজৰ এক সেঁতু।
- প্ৰান্তীয় সমাজখনৰ বাবে তেওঁলোকৰ আপত্তিসমূহ শুনা আৰু আইন সাহায্যৰ সঠিক পথৰ নিৰ্দেশনা দিয়া প্ৰথম যোগাযোগকাৰী ব্যক্তিগৰাকীয়েই মই।
- মই সাধাৰণ মানুহক উমৈহতীয়া সেৱা কেন্দ্ৰৰ জৰিয়তে আইন সাহায্য লাভ কৰাত সহায় কৰোঁ।
- মই উকীল নহয়, কিন্তু আইনী প্ৰক্ৰিয়াৰ মৌলিক ধাৰণা আৰু জ্ঞান মোৰ আছে।



আমি স্বেচ্ছাসেৱী। আইন সাহায্যই সকলো স্তৰৰ মানুহৰ ওচৰ চাপিব পৰাটো নিশ্চিত কৰিবৰ বাবে আমাক মনোনীত কৰা হৈছে।

## দূৰ ন্যায় সেৱা আৰ্হিত অৰ্ধ আইনী স্বেচ্ছাসেৱী (পি এল ভি) (মহিলা হ'লে ভাল)সকলৰ ভূমিকা :

**অৰ্ধ আইনী স্বেচ্ছাসেৱী (পি এল ভি)ক চাৰিটা ভাগত ভগাব পাৰি**

| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | স্তৰ- ৪ |
|---|---|---|---|
| দূৰ ন্যায় আৰ্হিৰ প্ৰসাৰ আৰু প্ৰচাৰ | আইনী পৰামৰ্শ প্ৰদানৰ বাবে হিতাধিকাৰীয় গোচৰ চিনাক্তকৰণ | তেওঁলোকক আইনী পৰামৰ্শৰ বাবে সূচীভুক্ত উকীলৰ সৈতে যোগাযোগ | পঞ্জীয়নভুক্ত গোচৰসমূহৰ পম খেদা আৰু সূচীভুক্ত উকীলে পৰৱৰ্তী সাক্ষাতৰ বাবে ব্যৱস্থা লোৱা। |

## উক্ত ভূমিকাসমূহৰ লগতে পি এল ভি সকলৰ তলত দিয়া দায়িত্বসমূহ থাকিব:

**দায়িত্ব**

**১. দূৰ ন্যায় আৰ্হিৰ প্ৰসাৰ আৰু প্ৰচাৰ**



আলোচনাৰ বাবে গাঁও পৰ্যায়ত বিভিন্ন মঞ্চ চিনাক্ত কৰা, উদাহৰণস্বৰূপে

- অংগনৱাড়ী বৈঠক
- বিদ্যালয় পৰিচালনা সমিতি(এচ এম চি) বৈঠক
- গাঁৱৰ মুখ্য ব্যক্তিৰ তালিকাকৰণ
- তেওঁলোকৰ নিজা ৱাটচআপ গ্ৰুপ গঠন কৰা
- গীৰ্জা, গুৰুদ্বাৰ চাহিব, মছজিদ আৰু মন্দিৰত ৰাজহুৱা বৈঠক পতাৰ ব্যৱস্থা কৰা
- ঘোষণা
- গাঁও পঞ্চায়ত ৰাজহুৱা বা সাপ্তাহিক বৈঠক
- বজাৰ হাট
- যুৱক সংঘ
- সমাজ ভিত্তিক অনুষ্ঠান
- মহিলা সংঘ
- মহিলা আত্ম সহায়ক গোট



বিভিন্ন আলোচনা চক্ৰত দূৰ ন্যায় আৰ্হিৰ বিষয়ে আলোচনা আৰু শিক্ষা প্ৰদান চিচি এছ চিত লাভ কৰিব পৰা বিনামূলীয়া আইন সাহায্য আৰু বিনামূলীয়া আইন সেৱাৰ সুবিধাৰ বিষয়ে তেওঁলোকক জনাওক নিৰ্দিষ্ট দিনয সময় আৰু ভিডিঅ কনফাৰেঞ্চিঙৰ জৰিয়তে সূচীভুক্ত উকীলক লগ পোৱা

প্ৰসংগ ভিত্তিক তথ্য শিক্ষা যোগাযোগ (আই ই চি) সামগ্ৰী প্ৰস্তুত কৰা, যেনে এচ এল এচ এয় চি এছ চি ৰ সহায়ত পষ্টাৰ, স্থানীয় বজাৰ মেলা আদিত বেনাৰ লগোৱা

# অৰ্ধ আইনী স্বেচ্ছাসেৱীৰ দ্বাৰা সমাজত সোমাই পৰি কাম কৰা



- হিতাধিকাৰীক শেহতীয়া তথ্য সম্বলিত সহায় আগবঢ়োৱাৰ আগ্ৰহ
- প্ৰয়োজন হ'লে আৰু হিতাধিকাৰীয়ে নিজে যাব নোৱাৰিলে তেওঁক উমৈহতীয়া সেৱা কেন্দ্ৰলৈ যোৱাত সহায় কৰা।
- গোপনীয়তা ৰক্ষা কৰা

নেতৃত্বসূলভ গুণ প্ৰদৰ্শন

সম্পৰ্ক স্থাপন

কোনো বিত্তীয় লাভ নোলোৱা

কোনো অবৈধ সুবিধা নোলোৱা

- হিতাধিকাৰীৰ সমস্যাৰ প্ৰতি সহানুভূতিশীল হোৱা আৰু তেওঁলোকৰ অনুভূতিৰ প্ৰতি স্পৰ্শকাতৰ হোৱা
- তেওঁলোকৰ সমস্যাৰ বিষয়ে শুনা
- নম্ৰ হোৱা আৰু হিতাধিকাৰীৰ প্ৰতি কেতিয়াও গালিয়বিদ্রুপাত্মক শব্দৰ ব্যৱহাৰ বা অপেছা দাৰী আচৰণ দেখুওৱাৰ পৰা বিৰত থকা।

- হিতাধিকাৰীৰ পৰা কোনো মাছুল নোলোৱা

- হিতাধিকাৰীৰ আগত কোনো অসত্য উপস্থাপন কৰা বা কোনো বাস্তৱ সত্য লুকুওৱাৰ পৰা বিৰত থকা। হিতাধিকাৰী (সামাজিকয় আৰ্থিক) অৱস্থান, শৈক্ষিক স্থিতিৰ ভিত্তিত কোনো অনৈতিক সুবিধা গ্ৰহণ নকৰা.

### উদাহৰণ- ১

পখিলা এগৰাকী পি এল ভি। তাই সংহত শিশু বিকাশ আঁচনি (আই চি ডি এছ) কেন্দ্ৰত পযেকৰ মূৰত নিৰ্দিষ্ট তাৰিখত পতা মহিলা অংগনৰাড়ী বৈঠকলৈ যায়। তাত গোট খোৱা মহিলাসকলক তাই দূৰ ন্যায় আৰ্হিৰ বিষয়ে জনায়।

এতিয়াৰে পৰা উকীল বাইদেউ,. চাৰৰ লগত মুখামুখিকৈ কথা পাতিব পৰা যাব.....

মীৰ আলমৰ চি এছ চি লৈ গৈ উকীল বাইদেউ, চাৰক সুধি সময় লোৱা আৰু সময়মতে গৈ কথা পাতিব পাৰিব...

যিকোনো সমস্যাৰ কথাই পাতিব পাৰিব, সমস্যাৰ সমাধান দিব আৰু পুনৰ সাক্ষাতৰ বাবেও সময় দিব

সমস্ত কথোপকথনৰ গোপনীয়তা ৰক্ষা কৰা হ'ব আৰু আমাৰ লগত জৰিত উকিল চাৰ, বাইদেউসকলে কোনো মাছুল নলয়

### উদাহৰণ- ২

**বৈঠকত এক আলোচনা আৰম্ভ হয়**

**তাত বহি থকা ৰাধিকাই কয়–উকীল চাৰ, বাইদেউসকল সদায় বহিবনে**

**পখিলা (পি এল ভি)...গৈ চোৱাছোন এবাৰ**

যাদুৰ নিচিনা..................কম্পিউটাৰত ফটো আৰু মাত ওলাব আৰু তোমাৰো ফটো ওলাব.....................আৰু যদি তুমি মুখখন দেখুৱাব নিবিচৰা, তেন্তে টেলিফ'নত কথা ক'ব পাৰিব........................নাইবা মই তোমাৰ কথাখিনি কম্পিউটাৰত টাইপ কৰি দিম, ইয়াক চাট কৰা বুলি কয়।

উকীল চাৰ সদায় বহিব গোটেই মাহটোৰেই। সেয়ে প্ৰয়োজনীয় আইনী পৰামৰ্শৰ বাবে যিকোনো এটা দিনত সাক্ষাৎ কৰাটো ঠিক কৰিব পাৰিবা।

তাতে বহি থকা ৰেহানা...................এইখিনি কামত কিমান পইচা লাগিব...................

পখিলা (পি এল ভি) প্ৰতিবাৰ সাক্ষাৎ কাৰোত ৩০ টকা দিব লাগে ....................কিন্তু বেংকত যদি একাউন্ট খোলা আছে, তেন্তে এইখিনিত ঘূৰাই পাবা...............বঢ়িয়া নহয়নে?

### উদাহৰণ- ৩

আইন প্ৰাধিকাৰী এক্ট, ১৯৮৭ ৰ ১২ নং দফাৰ অধীনত কোনে কোনে এই সুবিধা লাভ কৰিব পাৰিব পখিলাই (পি এল ভি) বুজাই ক'ব।

**গাঁৱৰ সকলো মহিলা, শিশু বয়োজ্যেষ্ঠ ব্যক্তি এচ চি, এচ টি (বি পি এল) ব্যক্তিসকলে এই সুবিধা পাব**

**সমাপ্তিকৰণ সত্ৰ**

ভিডিঅ কনফাৰেঞ্চিং সমূহকেনে ধৰণৰ হয়, সেইবিষয়ে নিজৰ ম'বাইল ফ'নত ল'ড কৰি লোৱা এটা সৰু ১০ মিনিটৰ ভিডিঅ' পি এল ভি এ অংশগ্ৰহণকাৰীসকলক দেখুৱাব।

### আইনী সাহায্যৰ বাবে যোগ্য প্ৰান্তীয় লোসকল-

- অনুসূচিত জাতি (এচ চি) আৰু অনুসূচিত জনজাতিৰ লোক (এচ টি)
- মহিলা আৰু শিশু
- বয়োজ্যেষ্ঠ নাগৰিক
- কাৰখানাৰ কৰ্মী
- দুখীয়া আৰু প্ৰান্তীয় লোক
- মানৱ সৰবৰাহ আৰু ব্যৱসায় ভিত্তিক
. যৌন শোষণৰ ভূক্তভোগী
- এচিড আক্ৰমণৰ ভূক্তভোগী
- ড্ৰাগছৰ বলি হোৱা ভূক্তভোগী
- বিকলাংগ ব্যক্তি
- বৃহৎ প্ৰলয়, গোষ্ঠীগত নিৰ্যাতন, জাতিগত অত্যাচাৰ, বানপানী, খৰাং আদিৰ ভূক্তভোগী

দায়িত্ব

২. আইনী উপদেশলৈ প্ৰেৰণ কৰিবৰ বাবে হিতাধিকাৰী, গোচৰ চিনাক্ত কৰা



**নিয়মবোৰ মানি চলোঁ আহক**

- জনসাধাৰণৰ মাজলৈ যাঁওতে এখন কেচ ডায়েৰী (গোচৰৰ নথি)লগত লৈ যাওক
- হিতাধিকাৰীয়ে দাবী কৰা, জনোৱা, কোৱা সমস্যা, বিষয়ৰ ধৰণ কি তাক বুজি লওক
- সাক্ষাতৰ সময় আগতীয়াকৈ ঠিক কৰাৰ সুবিধাৰ ক্ষেত্ৰত তেওঁক নিৰ্দেশনা দিয়ক
- সূচীভূক্ত উকীলৰ লগত সাক্ষাতৰ দিন ঠিক কৰা আৰু পঞ্জীয়নৰ সুবিধাৰ বাবে নিজৰ ফোন নম্বৰ আদি দিয়ক।
- দূৰ ন্যায় আৰ্হিত আইনী পৰামৰ্শ প্ৰদানৰ বাবে হিতাধিকাৰীৰ গোচৰ পঞ্জীয়ন কৰক।
- হিতাধিকাৰীক আছে যদি আধাৰ কাৰ্ড আৰু বেংকৰ একাউন্ট বহী প্ৰমাণ হিচাবে দেখুৱাবলৈ কওক
- সাক্ষাতৰ বিষয়ে বা সাক্ষাতৰ সময়ৰ কিবা সাল সলনি হ'লে তাৰ বিষয়ে হিতাধিকাৰীক এছ এম এছৰ জৰিয়তে সোঁৱৰাই দিয়ক।
- সূচীভূক্ত উকীলৰ লগত কথা পতাৰ তিনিটা বিকল্প আছে- চি এছ চিত ভিডিঅ' কনফাৰেঞ্চিংৰ সুবিধা, চাট, টেলিফোন
- অগ্ৰাধিকাৰ দিয়া হ'ব ভিডিঅ' কনফাৰেঞ্চিং (ভি চি এফক) তাৰ পিছতহে চাট টেলিফোন
- কথা পতাৰ প্ৰতিটো বিকল্পৰ পৰা পাব পৰা লাভ আৰু প্ৰতিটোৰ কাম কৰাৰ পদ্ধতিৰ বিষয়ে জনাওক।
- সূচীভূক্ত উকীলৰ লগত বৈঠকৰ দিন ঠিক হোৱাৰ লগে লগে সঁহাৰি দিয়ক।

## দায়িত্ব

৩. আইনী পৰামৰ্শৰ বাবে হিতাধিকাৰীক সূচীভূক্ত উকীলৰ সৈতে যোগাযোগ কৰোৱা।

| চি এছ চি লৈ কেতিয়া যাব লাগিব | কেনেকৈ আৰু কাক লগ কৰিব লাগিব | কোনে পৰামৰ্শ দিব | বেংক একাউন্টত টকা জমা দিয়া |
|---|---|---|---|
| ১. পি এল ভি এ মাহটোৰেই চি এছ চি ত বহিব।<br>২. প্রতিমাহে মাননি ১৫০০ টকা (১০ টা গোচৰৰ বাবে) মাহটোত ১০ টাতকৈ বেছি গোচৰ হ'লে প্রতিটোৰ বাবদ পি এল ভিক ১০০ টকাকৈ অধিকতম ২,০০০ দিয়া হ'ব।<br>৩. পি এল ভি এ আঁচনিৰ বাবে প্রতিমাহে কমেও ১০ টাকৈ গোচৰ আনিব লাগিব | ১. গাঁও পর্যায়ৰ উদ্যমী (ভি এল ই) এ চি এছ ছিত ভিডিঅ কনফাৰেঞ্চিং ঠিকমতে চলাব<br>২. ভি এল ই এ মহিলা পি এল ভিৰ বাবে এক সুৰক্ষিত আৰু নিৰাপদ পৰিৱেশ নিশ্চিত কৰিব<br>৩. মহিলাৰ বাবে প্রস্রাৱগাৰৰ ব্যৱস্থা ৰখাটো বাঞ্চনীয়। | ৰাজ্যিক, ৰাষ্ট্রীয় সদৰত থকা চি এছ চি কার্যালয়ত থকা সূচীভুক্ত উকীলে পূর্বতে ঠিক কৰা সাক্ষাৎ আৰু পঞ্জীয়ন অনুসৰি আইনী পৰামৰ্শ প্রদান সূচীভুক্ত উকীলে দিয়া পৰামৰ্শ পি এল ভি এ বুজাই দিব আৰু পঢ়ি দিব | সূচীভুক্ত উকীলৰ লগত কৰা প্রতিটো সাক্ষাতত্বে ৱ্ময়-টকাকৈ দিব লাগিব হিতাধিকাৰীয়ে জমা দিয়া টকাৰ বাবদ একোখনকৈ ৰছিদ পাব এই টকা ঘূৰাই দিবৰ বাবে হিতাধিকাৰীৰ বেংক একাউন্টত জমা কৰি দিয়া হ'ব। |

### উদাহৰণ- ৫

ৰহীমৰ এড়োখৰ মাটিক লৈ প্রতিবেশীৰ লগত কাজিয়া আছিল আৰু সেই প্রতিবেশীগৰাকী এজন গুণ্ডা প্রকৃতিৰ লোক আছিল। সেয়ে ৰহীমে ভয় খাইছিল কিজানি তেওঁ ৰহীমৰ পৰিয়ালৰ সদস্যৰ কিবা অনিষ্ট কৰে।

ৰহীমে আইনী পৰামৰ্শ লোৱাৰ কথা ভাবিলে। তেওঁ চি এছ চিৰ জৰিয়তে লাভ কৰিব পৰা আইনী পৰামৰ্শৰ কথা জানেও। কিন্তু তেওঁ যাব পৰা নাছিল কিয়নো ১০ দিনীয়া সময়সীমা ইতিমধ্যেই উকলি গৈছিল। এইদৰে পৰৱর্তী মাহলৈ ৰ'বলগীয়া হোৱাত তেওঁ ভাগি পৰিছিল।

ৰহীম খৰধৰকৈ চি এছ চিলৈ গ'ল । ভি এল ইক কথাটো জনালে আৰু পি এল ভিক ফোন কৰিলে। সমস্যাটো বুজি লৈ পি এল ভি এ সূচীভুক্ত উকীলক অনুৰোধ কৰাৰ কথা ভাবিলে। তেখেতক ফোন কৰি জানিব বিচাৰিলে যে বিশেষ অনুৰোধমৰ্মে তেখেতসকলৰ সাক্ষাৎ পাব পাৰি নেকি। সূচীভুক্ত উকীলে সেই দিনাখনেই ৰহীমক আইনী পৰামৰ্শ প্রদান কৰিলে।

## উদাহৰণ- ৬



**মইতো ন্যায় মিত্ৰৰ বিষয়েও শুনিছোঁ জানানে?**

এওঁলাকনো আকৌ কোন?....এওঁলোকেও কিবা সহায় কৰিব নেকি? কিয় নকৰিব......উত্তৰ পূৰ্বাঞ্চল আৰু জম্মু কাশ্মীৰৰ মুঠ ২৭ খন জিলাত আমাৰ ন্যায় মিত্ৰসকল চি এছ চিত বহিব।

এওঁলোকে সম্পূৰ্ণ চপ্ত দিন আমাক বিনামূলীয়া আইনী পৰামৰ্শ প্ৰদান কৰিব আৰু আমাৰ ১০ বছৰতকৈও পূৰণি গোচৰৰ ক্ষেত্ৰত ন্যায় লাভ কৰাত আমাক সহায় কৰিব।

যিবোৰ স্থানৰ চি এছ চি ত ন্যায় মিত্ৰসকল বহিব, সেইবোৰক জিলা সহায়ক কেন্দ্ৰ (ডিষ্ট্ৰিক্ট ফেচিলিটেশ্যন চেন্টাৰ) নামেৰে জনা যাব।

### জিলা সহায় কেন্দ্ৰ (ডি এফ চি)

| ৰাজ্য | ডি এফ চিৰ সংখ্যা |
|---|---|
| অসম | ১৭ |
| অৰুণাচল প্ৰদেশ | ০১ |
| মেঘালয় | ০১ |
| মিজোৰাম | ০১ |
| ত্ৰিপুৰা | ০১ |
| মণিপুৰ | ০১ |
| ছিকিম | ০১ |
| জম্মু কাশ্মীৰ | ০৩ |




## এই নীতি নিয়মবোৰ পালন কৰি আমি বিশ্বাস গঢ়ি তোলোঁ




| | |
|---|---|
| **ভিএলইৰ দ্বাৰা** | • দূৰ ন্যায় আৰ্হিত গোপনীয়তাৰ অধিকাৰ সুনিশ্চিত কৰিব<br>• যিকোনো তথ্য প্ৰকাশ কৰাৰ পৰা বিৰত থাকিব |
| **সূচীভুক্ত উকীলৰ দ্বাৰা** | • সূচীভু ক্ত উকীলে প্ৰদান কৰা পৰামৰ্শ গোপনে ৰাখিব<br>• সূচীভুক্ত উকীলৰ চূড়ান্ত মতামতত কেৱল সাধাৰণ পৰামৰ্শৰহে উল্লেখ থাকিব |
| **পি এল ভিৰ দ্বাৰা** | • হিতাধিকাৰীয়ে সূচীভুক্ত উকীলৰ লগত কথা আৰম্ভ কৰাৰ পূৰ্বেই পি এল ভি এ হিতাধিকীৰৰ সন্মতি বিচাৰিব<br>• পি এল ভি এ হিতাধিকাৰীৰ বিষয়ে জনাই দিব। তেখেত আইনী পৰামৰ্শ বিচৰাৰ সময়ত কোনো ব্যক্তিকে (পি এল ভিয় ভি এল ই) ওচৰত থাকিবলৈ অনুমতি প্ৰদান নকৰি হিত াধিকাৰীৰ অধিকাৰ সুৰক্ষিত কৰিব লাগে। |

**দায়িত্ব**

৪. পঞ্জীয়ন কৰা গোচৰৰ পম খেদা যোগাযোগ কৰোৱা।

- পঞ্জীয়ন কৰা আৰু অনুসৰণৰ বাবে সোঁৰৰাই দিয়া আদি কামৰ বাবে চি এছ চি এ এক অনলাইন পর্যবেক্ষণ প্রক্রিয়া কৰিব লাগিব
- পি এল ভি য ভি এল ই এ পৰামর্শৰ বাবে সূচীভূক্ত উকীলৰ ওচৰলৈ প্রেৰণ কৰা হিতাধিকাৰীৰ প্রয়োজনীয় তথ্যৰ তালিকা পূৰণ কৰিব।
- চাট, ভিডিঅ' কল, টেলিফোনত কথা পতা শেষ কৰাৰ আগতেই হিতাধিকাৰী, ভিএল এ প্রতিক্রিয়াৰ সূচকবোৰ পূৰাব



## সূচক-১ পৰামর্শৰ গুণমান

সন্তোষজনক : অসন্তোষজনক : বুজি নাপালোঁ : আন এগৰাকী সূচীভূক্ত উকীল বিচাৰি উলিয়াওক(মহিলা, পুৰুষক অগ্রাধিকাৰ)

## সূচক-২ ভিডিঅ' কনফাৰেঞ্চিং যোগাযোগ

শ্রাব্য আৰু দৃশ্য দুয়োটাই স্পষ্ট : শুনা পায় কিন্তু ভিডিঅ' ই কাম নকৰে : চাট কৰিবলৈহে ভাল পাম : টেলিফোন কৰিবলৈহে ভাল পাম

## সূচক-৩- যদি কিবা উপদেশ আছে

যদি কিবা উপদেশ আছে.....................................................

## অধিক তথ্যৰ বাবে যোগাযোগ কৰক

চি এছ চি ই-গৱৰ্নেন্স ছাৰ্ভিছ ইণ্ডিয়া লিমিটেড
ইলেক্ট্ৰনিকচ নিকেটন, থাৰ্ড ফ্ল’ৰ
৬, চি জি অ’ কমপ্লেক্স, লোধী ৰ’ড
নতুন দিল্লী-১১০০০৩
টেলিফোন- ৯১-১১-২৪৩০৩৪৯
ৱেবছাইট: www.csc.gov.in

ন্যায় বিভাগ,
বিধি আৰু ন্যায় মন্ত্ৰালয়,
জয়চালমাৰ হাউছ, ২৬, মানসিং ৰোড
নতুন দিল্লী-১১০০১১